# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 25-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, ভাৰত বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰ ভিতৰত অন্যতমৰূপে আৰু গোলকীয় বিনিয়োগৰ আকৰ্ষণীয় স্থলীৰূপে পৰিগণিত হৈছে।

২। শ্ৰম মন্ত্ৰালয়ে জাৰি কৰা বাৰ্ষিক পৰ্যাবৃত্ত শ্ৰম শক্তি জৰীপ অনুসৰি যোৱা বছৰ দেশত কৰ্মসংস্থাপনহীনতাৰ হাৰ চকুত লগা ধৰণে হ্ৰাস পাইছে।

৩। চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়ল বৰিছ ফ'ণ্টে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত স্থায়ী সদস্য হিচাপে ভাৰতৰ অন্তৰ্ভুক্তিৰ সপক্ষে মত পোষণ কৰিছে।

৪। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৱাকফ সংশোধনী বিধেয়কখন চালি জাৰি চোৱাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় সমিতিয়ে সংসদৰ আসন্ন শীতকালীন অধিবেশনৰ প্ৰথম সপ্তাহৰ ভিতৰতে প্ৰতিবেদন দাখিল কৰিব বুলি আশা প্ৰকাশ কৰিছে। *আৰু*

৫। ভাৰতৰ উইকেটকিপাৰ বেটছমেন ঋষভ পণ্টে পুনৰ আই চি চিৰ টেষ্ট বেটিং ৰেংকিঙৰ শীৰ্ষৰ ১০ গৰাকী খেলুৱৈৰ ভিতৰত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, ভাৰত বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰ ভিতৰত অন্যতমৰূপে আৰু গোলকীয় বিনিয়োগৰ আকৰ্ষণীয় স্থলীৰূপে পৰিগণিত হৈছে। উত্তৰ প্ৰদেশৰ গ্ৰেটাৰ নইডাত আয়োজিত আন্তৰাষ্ট্ৰীয় বাণিজ্য মেলা ২০২৪ ৰ দ্বিতীয় সংস্কৰণক সম্বোধন কৰি শ্ৰীধনখড়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতীয় অৰ্থব্যৱস্থাৰ পৰিধি প্ৰায় ৪ লাখ কোটি ডলাৰলৈ বৃদ্ধি পাইছে আৰু পৰৱৰ্তী দশকত দেশৰ অৰ্থব্যৱস্থাৰ বিকাশ হাৰ ৮ শতাংশ হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত ১২ টা নতুন ঔদ্যোগিক ক্ষেত্ৰৰ বিকাশ অব্যাহত আছে আৰু এই ক্ষেত্ৰসমূহে কৃত্ৰিম বুদ্ধিমত্তা, বৈদ্যুতিন গতিশীলতা আৰু অৰ্ধপৰিবাহীৰ দৰে উদীয়মান প্ৰযুক্তিসমূহৰ প্ৰসাৰত সহায় কৰিব।

কেন্দ্ৰীয় অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জীতন ৰাম মাঝি আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও এই অনুষ্ঠানত অংশ লয়। এই উপলক্ষে জিতন ৰাম মাঝিয়ে দেশত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডত ৰূপায়ণ হৈ থকা কামৰ বিষয়ে আলোকপাত কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কয় যে, ৰাজ্যখনৰ প্ৰায় ৯৬ লাখ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে দেশৰ অৰ্থনৈতিক বিকাশত প্ৰভূত বৰঙণি আগবঢ়াই আহিছে। উত্তৰ প্ৰদেশ দেশৰ বিকাশৰ চালিকা শক্তিৰূপে পৰিগণিত হোৱা বুলিও তেওঁ মন্তব্য কৰে।

আমাৰ সংবাদদাতাই জনাইছে যে, ভিয়েটনাম এই মেলাৰ সহযোগী ৰাষ্ট্ৰ। ৫ দিনীয়া এই মেলাত দেশ বিদেশৰ প্ৰায় ২ হেজাৰ ৫শ প্ৰদৰ্শনকাৰীয়ে ভাগ লৈছে।

০০০

শ্ৰম মন্ত্ৰালয়ে জাৰি কৰা বাৰ্ষিক পৰ্যাবৃত্ত শ্ৰম শক্তি জৰীপ অনুসৰি যোৱা বছৰ দেশত কৰ্মসংস্থাপনহীনতাৰ হাৰ চকুত লগা ধৰণে হ্ৰাস পাইছে। এই ক্ষেত্ৰত হাৰিয়ানাৰ দৰে ৰাজ্যসমূহে গুৰুত্বপূৰ্ণ প্ৰগতি লাভ কৰিছে। প্ৰতিবেদন অনুসৰি ২০২৩-২৪ বৰ্ষৰ  কৰ্মসংস্থাপনহীনতাৰ ৰাষ্ট্ৰীয় গড় হাৰ ৩ দশমিক ২ শতাংশ আছিল। এই হাৰ ২০২২-২৩ বৰ্ষৰ তুলনাত ৫ দশমিক এক শতাংশ হ্ৰাস পাইছে। হাৰিয়ানা, তামিলনাডু, চত্তিশগড় আৰু মধ্যপ্ৰদেশত কৰ্মসংস্থাপনহীনতাৰ হাৰ সৰ্বাধিক হ্ৰাস পাইছে। কৰ্মসংস্থাপনহীনতাৰ হাৰ সামগ্ৰিকভাৱে হ্ৰাস পোৱা সত্তেও একাংশ ৰাজ্যত এইহাৰ এতিয়াও অধিক হৈ আছে। এই ক্ষেত্ৰত ৮ দশমিক ২ শতাংশ হাৰেৰে গোৱা সবাতকৈ শীৰ্ষত আছে। ইয়াৰ পাছত কেৰালা আৰু নাগালেণ্ড ক্ৰমে ৭ দশমিক ২ শতাংশ আৰু ৭ দশমিক ১ শতাংশ হাৰেৰে দ্বিতীয় আৰু তৃতীয় স্থানত আছে। কেন্দ্ৰীয় শাসিত অঞ্চল লাক্ষাদ্বীপত কৰ্মসংস্থাপনহীনতাৰ হাৰ অধিক। লাক্ষাদ্বীপত এই  হাৰ ১১ দশমিক ৯ শতাংশ হৈছে।

০০০

চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়ল বৰিছ ফ'ণ্টে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত স্থায়ী সদস্য হিচাপে ভাৰতৰ অন্তৰ্ভুক্তিৰ সপক্ষে মত পোষণ কৰিছে। নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৭৯ সংখ্যক অধিবেশনৰ সাধাৰণ বিতৰ্কত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে বিষয়টোৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে।

তেওঁ কয় যে, ১৯৪৫ চনত ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠা হোৱাৰ পাছৰে পৰা বিশ্বৰ ভূৰাজনৈতিক পৰিস্থিতি সলনি হৈছে। তেওঁ লগতে বৰ্তমানৰ গোলকীয় বাস্তৱিকতা প্ৰতিফলিত কৰিব পৰাকৈ ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ সংস্কাৰৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰিবলৈ আহ্বান জনায়। শ্ৰীফ'ণ্টে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰত, ব্ৰাজিল আৰু কমেও এখন আফ্ৰিকীয় ৰাষ্ট্ৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। ৰাজনৈতিক সদিচ্চাৰ অভাৱে সংস্থাটোৰ সংস্কাৰত অন্তৰায়ৰ সৃষ্টি কৰিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জো বাইডেনেও ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ বাবে ভাৰতৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছে। ডেলাৱেৰত অনুষ্ঠিত কোৱাড শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকৰ সময়ত আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে এই বিষয়ে উল্লেখ কৰে।

ৰাছিয়াইও ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত স্থায়ী সদস্য পদৰ বাবে ভাৰতৰ প্ৰতি সমৰ্থনৰ কথা দোহাৰিছে। দেশখনৰ বিদেশ মন্ত্ৰী চাৰ্গেই লেভৰোভে কৈছে যে, মস্কো মহলে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ সঠিক প্ৰতিনিধিত্বৰ বাবে ভাৰত, ব্ৰাজিল আৰু এখন আফ্ৰিকীয় ৰাষ্ট্ৰই নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদ প্ৰদানৰ সমৰ্থন কৰে।

০০০

উদ্যোগ আৰু অভ্যন্তৰীণ বাণিজ্য সংবৰ্ধন বিভাগৰ সচিব অমৰদীপ সিং ভাটিয়াই কৈছে যে, মেক ইন ইণ্ডিয়া উদ্যমৰ ফলত  নিৰ্মাণ, আন্তঃগাথনি, প্ৰতিৰক্ষা আৰু ৰপ্তানি ক্ষেত্ৰত উল্লেখযোগ্য সফলতা দেখিবলৈ পোৱা গৈছে। মেক ইন ইণ্ডিয়া উদ্যমৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এখন সংবাদ মেল সম্বোধন কৰি শ্ৰীভাটিয়াই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, এই কাৰ্যসূচীৰ অধীনত  উৎপাদন আধাৰিত উদগণি আঁচনি, প্ৰত্যক্ষ বিদেশী

বিনিয়োগ সংস্কাৰ, আৰু আন্তগাথনি বিকাশৰ দৰে চৰকাৰী নীতিসমূহে ঘৰুৱা আৰু বিদেশী বিনিযোগৰাকীসকলক আকৰ্ষিত কৰিছে। তেওঁ কয় যে, মেক ইন ইণ্ডিয়া উদ্যমৰ অধীনৰ প্ৰতিৰক্ষা উৎপাদন নীতিয়েও আত্মনিৰ্ভৰ ভাৰতৰ অধীনত প্ৰতিৰক্ষা আহিলাপাতিৰ ঘৰুৱা উৎপাদন বৃদ্ধি পাইছে আৰু ভাৰতীয় কোম্পানীসমূহে কেইবাকোটি ডলাৰৰ চুক্তি লাভ কৰিছে। শ্ৰীভাটিয়াই লগতে কয় যে যান-বাহন, দূৰসংযোগ আৰু ভেষজ খণ্ডত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ সৰ্বাধিক বৃদ্ধি পৰিলক্ষিত হৈছে।

০০০

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৱাক্‌ফ সংশোধনী বিধেয়কখন চালি জাৰি চোৱাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় সমিতিয়ে সংসদৰ আসন্ন শীতকালীন অধিবেশনৰ প্ৰথম সপ্তাহৰ ভিতৰতে প্ৰতিবেদন দাখিল কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে সমিতিখনে বিধেয়কখনৰ সন্দৰ্ভত এতিয়ালৈকে এক কোটিৰো অধিক দিহা পৰামৰ্শ লাভ কৰা বুলিও প্ৰকাশ কৰে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ প্ৰথম এশ দিনৰ ভিতৰত সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে লাভ কৰা সাফল্য সম্পৰ্কে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীৰিজিজুৱে কয় যে, বিধেয়কখন সন্দৰ্ভত বিস্তৃত আলাপ আলোচনা অব্যাহত আছে আৰু সমিতিখনে বিভিন্ন চৰকাৰী আৰু সামাজিক সংস্থাৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। তেওঁ কয় যে পূৰ্বতেও ৱাক্‌ফ বিধেয়কৰ সংশোধন কৰা হৈছে কিন্তু এইবেলি সংশোধন সম্পৰ্কে ব্যাপক পৰিসৰত আলাপ-আলোচনা কৰা হৈছে আৰু গণতন্ত্ৰৰ বাবে এয়া সচাঁকৈ ভাল কথা। মোদী চৰকাৰৰ দিনত সংখ্যালঘু সম্প্ৰদায়সমূহৰ কল্যাণৰ হ'কে কৰা চৰকাৰী উদ্যমসমূহৰ বিকাশৰ কথা আলোকপাত কৰি শ্ৰীৰিজিজুৱে কয় যে চৰকাৰে সংখ্যালঘু সম্প্ৰদায়ৰ সকলোৰে কল্যাণ সুনিশ্চিত কৰিছে আৰু তেওঁলোকক এটা নিৰাপদ বাতাবৰণ আৰু উন্নত সুযোগ প্ৰদান কৰিছে। তেওঁ কয় যে, সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে এশ দিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে সংখ্যালঘু সম্প্ৰদায়ৰ শিপিনী, শিল্পীসকলক তেওঁলোকৰ উৎকৃষ্ট হস্তজাত আৰু বস্ত্ৰশিল্প প্ৰদৰ্শনৰ এখন মঞ্চ প্ৰদান কৰাৰ উদ্দেশ্যে দিল্লীহাটত এইবছৰ লোকসম্বৰ্ধন পৰ্বৰ আয়োজন কৰে। চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত ২ লাখ ৫০ হাজাৰৰো অধিক হিতাধিকাৰীলৈ এহেজাৰ কোটিৰো অধিক টকাৰ ঋণ আগবঢ়াইছে বুলি তেওঁ উল্লেখ কৰে। হজ যাত্ৰা সন্দৰ্ভত মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে হজ যাত্ৰাৰ সুবিধাৰ্থে হজ সুবিধা এপ মুকলি কৰাৰ কথা প্ৰকাশ কৰে। প্ৰতিবছৰে ভাৰতত এক লাখ ৭৫ হাজাৰৰো অধিক হজযাত্ৰীয়ে মক্কা ভ্ৰমণ কৰে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০

নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক গিৰিশ চন্দ্ৰ মুৰ্মুৱে কৈছে যে, তথ্য বিশ্লেষণৰ ব্যৱস্থাপনা আৰু প্ৰতিবেদন প্ৰস্তুতকৰণত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ হকে চেষ্টা অব্যাহত আছে। আজি যোড়শ সৰ্বোচ্চ হিচাপ নিকাচ প্ৰতিষ্ঠানসমূহৰ এছিয় সংস্থাৰ সভাত সংবাদ মাধ্যমক সম্বোধন কৰি শ্ৰীমুৰ্মুৱে কয় যে, তেওঁ ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট শক্তি উৎপাদনৰ লক্ষ্যত উপনীত হোৱাৰ বাবে শক্তিৰ অপৰম্পৰাগত উৎসসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয় যে, সামৰ্থ্য বৰ্ধনৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট পক্ষসমূহৰ সৈতে পৰামৰ্শসমূহ ভগাই লোৱাৰ বাবে লেখপৰীক্ষকসকলক সকলো ধৰণৰ সুবিধা প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে যোড়শ সৰ্বোচ্চ হিচাপ নিকাচ প্ৰতিষ্ঠানসমূহৰ এছিয় সংস্থাৰ সভাৰ এইবাৰৰ সংস্কৰণত ৪২ খন দেশৰ ২শতকৈও অধিক প্ৰতিনিধি আৰু আন্তৰাষ্ট্ৰীয় সংস্থাই অংশগ্ৰহণ কৰিছে।

০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাধৱে কৈছে যে যোৱা ১০ বছৰত দেশৰ স্বাস্থ্য খণ্ডৰ অভূতপূৰ্ব বিকাশ সাধন হৈছে। নতুন দিল্লীত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। শ্ৰীযাধৱে কয় যে, কেন্দ্ৰীয় চৰকাৰে প্ৰতিখন জিলাতে চিকিৎসা মহাবিদ্যালয় স্থাপন আৰু চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমৰ আসন বৃদ্ধিৰ দৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। তেওঁ লগতে কয় যে, চৰকাৰে জনসাধাৰণলৈ বহনসাধ্য চিকিৎসাসেৱা আগবঢ়োৱাৰ উদ্দেশ্যে বৃহৎ চিকিৎসা আন্তঃগাথনি গঢ়ি তুলিছে। মন্ত্ৰীগৰাকীয়ে লগতে জন সেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অক্লান্ত আৰু নিস্বাৰ্থ প্ৰচেষ্টাৰ বাবে এইমছ পৰিয়ালৰ শলাগ লয়।

০০০

সমাপ্ত